# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-08-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

২০২৭ চনত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। উত্তৰ গুৱাহাটীত আজি দুখনকৈ উন্নত মানৰ ক্ৰীড়া একাডেমী মুকলি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে এই একাডেমী দুখনৰ জৰিয়তে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন আহিব। ড০ শৰ্মাই কয় যে বিশ্বমানৰ খেলুৱৈ সৃষ্টি কৰিবলৈ হ'লে খেলুৱৈসকলৰ বাবে বিশ্বমানৰ সা-সুবিধা সৃষ্টি কৰিব লাগিব আৰু অসমত এনে প্ৰচেষ্টা চলি আছে। ৰাজ্যৰ প্ৰতিখন জিলাতে ক্ৰীড়াৰ অনুশীলনৰ বাবে উত্তম আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে আৰু প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৰাজ্যত ক্ৰীড়াৰ বিকাশৰ বিষয়ে আলোকপাত কৰি ড০ শৰ্মাই কয় যে যোৰহাট, গুৱাহাটী আৰু কোকৰাঝাৰত কেইবাটাও উচ্চ প্ৰদৰ্শন কেন্দ্ৰ গঢ়ি উঠিছে আৰু ৰাজ্যৰ বাহিৰৰ বিনিয়োগকাৰীয়ে ৰাজ্যৰ ক্ৰীড়া খণ্ডৰ উন্নয়নৰ প্ৰতি আগ্ৰহ দেখুৱাইছে। অনুষ্ঠানত অংশ লৈ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সচিব দেৱজিৎ শইকীয়াই ৰাজ্যত ফুটবল আৰু ক্ৰিকেটৰ বাবে নতুন যাত্ৰা বুলি অভিহিত কৰে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে।

ooooo

ধেমাজিত ২০০৪ চনৰ ১৫ আগষ্টত বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা ১৩টি শিশুক স্মৰণ কৰি ৰাজ্যৰ বিভিন্ন অংশত আজি শোক দিৱস পালন কৰা হৈছে। গুৱাহাটীত অৱস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ লগতে ডিব্ৰুগড়, যোৰহাট, কাৰ্বি আংলং, নগাওঁ, বৰপেটা, কাছাৰ, শ্ৰীভূমি আদি বিভিন্ন জিলাত এই শোক দিৱসৰ সৈতে সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাহিলীপাৰাৰ মুখ্য কাৰ্যালয়ত আয়োজিত আজিৰ শোক দিৱসৰ অনুষ্ঠানত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, আৰক্ষী মহাপৰিদৰ্শক অখিলেশ সিং, বিবেকৰাজ সিং আৰু প্ৰশান্ত ভূঞাৰ লগতে আন বহুকেইগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়া আৰু বিভিন্ন বৰ্গৰ কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতেই সমাজত শান্তি, সামাজিক শৃংখলা আৰু সকলো শ্ৰেণীৰ লোকৰ মাজত পাৰস্পৰিক বুজাবুজি বৃদ্ধিৰ হকে কাম কৰাৰ লগতে মানৱ জীৱন আৰু প্ৰমূল্যবোধৰ প্ৰতি শংকা কঢ়িয়াই অনা অশুভ শক্তিৰ বিৰুদ্ধে যুঁজ দি যাবলৈ সকলোৱে শপত গ্ৰহণ কৰে। অসম আৰক্ষীৰ প্ৰশাসন বিভাগৰ সহকাৰী আৰক্ষী মহাপৰিদৰ্শক প্ৰণৱজ্যোতি গোস্বামীয়ে বিষয়া-কৰ্মচাৰীসকলক শপতবাক্য পাঠ কৰোৱায়। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও স্বাধীনতা দিৱসতে কৰুণভাৱে মৃত্যুক সাৱটি লোৱা শিশুকেইটিলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয় যে এই কৰুণ ঘটনাই আমাক সকলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে আৰু মানৱীয় প্ৰমূল্যবোধৰ সপক্ষে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ সাহস যোগাব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি গুৱাহাটীত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী নেতাই উভয় ৰাজ্যৰ পাৰস্পৰিক বিকাশ সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰে। বৈঠকত উভয় ৰাজ্যৰ উন্নয়ন আৰু সহযোগিতামূলক পদক্ষেপৰ বিষয়েও আলোচনা কৰা হয়।

০০০০০

ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত প্ৰসিদ্ধ অভিনেত্ৰী সীমা বিশ্বাসে এককভাৱে অভিনয় কৰা **অনশুনি চিখেঁ** নামৰ ছুটি ছবিখনে উনবিংশ অযোধ্যা চলচ্চিত্ৰ মহোৎসৱৰ **শ্ৰেষ্ঠ সামাজিক বাৰ্তাবাহী ছবি**ৰ সন্মান লাভ কৰিছে। ইতিপূৰ্বে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সমাদৰ লাভ কৰা এই ছবিখন ৰাজ্যৰ শীৰ্ষ আৰক্ষী বিষয়া পাৰ্থ সাৰথি মহন্তৰ এটি কবিতাৰ আধাৰত ৰচিত কাহিনীৰে নিৰ্মাণ কৰা হৈছে। এগৰাকী যুৱতীৰ প্ৰত্যাহ্বানেৰে ভৰা কষ্টকৰ তথা শক্তিশালী জীৱনযাত্ৰাক চিত্ৰায়িত কৰা এই ছুটি ছবিখন পাৰ্থ সাৰথি মহন্তই পৰিচালনা আৰু মীনা মহন্ত আৰু ইন্দ্ৰানী বৰুৱাই প্ৰযোজনা কৰিছে।

০০০০০

দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি কিছুসময়ৰ পূৰ্বে "**স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো**" শীৰ্ষক এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰে। দেশৰ স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰা ব্যক্তিৰ পৰা আৰম্ভ কৰি স্বৰাজোত্তৰ কালত জন্মগ্ৰহণ কৰা সমাজৰ বিভিন্ন স্তৰক প্ৰতিনিধিত্ব কৰা ৰাজ্যখনৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত ভাগ লৈ তেওঁলোকৰ প্ৰত্যাশা আৰু অভিজ্ঞতাৰ বিষয়ে ব্যক্ত কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন কৰা এই অনুষ্ঠানটোত ৯৭ বছৰ বয়সীয়া সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী, ডিব্ৰুগড় জিলাৰ বয়োবৃদ্ধ নাগৰিক থুল কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° নিৰ্মল কুমাৰ চৌধুৰী, প্ৰাক্তন বিধায়ক তথা মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° নগেন শৰ্মা, মঙলদৈৰ নেতৃস্থানীয় ব্যক্তি বীৰেন্দ্ৰ কুমাৰ বৰুৱা আৰু বিশিষ্ট লেখিকা, খ্যাতনামা খেলুৱৈ তথা নাৰী শক্তিৰ ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত সুমিত্ৰা হাজৰিকাই বিষয়টোক লৈ নিজৰ নিজৰ মত ব্যক্ত কৰে।

০০০০০

বিশ্বনাথ জিলা প্ৰশাসনে কাইলৈ ননকে জাপৰিগুৰিৰ ১৭০ বিঘা ভূমিত উচ্ছেদ চলাব। উচ্ছেদ অভিযানৰ বাবে আৰক্ষী প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে ইতিমধ্যে অঞ্চলটোত আৰক্ষী প্ৰশাসন সক্ৰিয় হৈ আছে আৰু অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদ অভিযানৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ কৈছিল। অঞ্চলটোৰ পৰা অধিকাংশ লোক আঁতৰি গৈছে। জিলাখনত অবৈধ দখলকাৰীৰ কবলত ৫৬ হাজাৰ বিঘা চৰকাৰী ভূমি আছে। ইয়াৰে ভিতৰত বিশ্বনাথ ৰাজহ চক্ৰতে প্ৰায় ৪৪ হাজাৰ বিঘা ভূমি আছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ